**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। যোৰহাট-মাজুলী সংযোগী দলং আৰু যোৰহাটৰ পৰা ডিব্ৰুগড় সংযোগী ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্য ত্বৰান্বিত কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীৰ বিশেষ তৎপৰতা।

২। নিৰ্বাচনত ভোটগ্ৰহণৰ বাবে পুনৰ বেলট পেপাৰৰ ব্যৱহাৰৰ দাবীৰে জনোৱা ৰাজহুৱা স্বাৰ্থজড়িত আবেদন উচ্চতম ন্যায়ালয়ৰ দ্বাৰা খাৰিজ।

৩। কাজিৰঙাত আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ আনুষ্ঠানিক শুভাৰম্ভ। কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰীৰ লগতে উত্তৰ-পূবৰ কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা পৰ্যটন মন্ত্ৰীৰ অনুষ্ঠানত অংশগ্ৰহণ।

৪। গুৱাহাটীকে ধৰি ৰাজ্যৰ নগৰাঞ্চলৰ ভূমি পট্টনৰ প্ৰিমিয়াম হ্ৰাসত ৰাজ্যিক মন্ত্ৰীসভাৰ অনুমোদন। ***আৰু***

৫। টকিঅ' অলিম্পিক পদক বিজয়ী মল্লযোদ্ধা বজৰং পুনিয়াৰ ওপৰত ৰাষ্ট্ৰীয় এণ্টি ড'পিং সংস্থাৰ ৪ বছৰীয়া নিষেধাজ্ঞা।

০০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ৰাজ্যৰ মাজুলী আৰু যোৰহাট সংযোগী দলং তথা যোৰহাটৰ পৰা ডিব্ৰুগড় সংযোগী ৰাষ্ট্ৰীয় ঘাইপথচোৱা উন্নীতকৰণৰ বাবে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। তেওঁ ৪ মাহ ধৰি নিৰ্মাণকাৰ্য বন্ধ হৈ থকা যোৰহাট আৰু মাজুলী সংযোগী দলংখনৰ নিৰ্মাণকাৰ্য অহা সপ্তাহৰ পৰাই পুনৰ আৰম্ভ কৰাৰ আশ্বাস দিয়ে। ৰাজ্যসভাৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীৰ নেতৃত্বত এটা প্ৰতিনিধিৰ দলে কালি যোৰহাট আৰু মাজুলী সংযোগী দলঙৰ বন্ধ হৈ থকা নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ কৰাৰ সংক্ৰান্তত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী, সাংসদ প্ৰদান বৰুৱা, মাজুলীৰ বিধায়ৰ ভূৱন গামকে ধৰি কেইবাগৰাকীও নেতা মন্ত্ৰীগৰাকীৰ সাক্ষাৎকালত উপস্থিত থাকে।

আমাৰ আগৰ বাতৰিতে যোৰহাটৰ পৰা ডিব্ৰুগড় সংযোগী ৰাষ্ট্ৰীয় ঘাইপথচোৱা উন্নীতকৰণৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক পত্ৰযোগে অৱগত কৰা বুলি উল্লেখ কৰা হৈছিল। পত্ৰখনত উল্লেখ কৰা অনুসৰি এই প্ৰকল্পটোৰ কাম ক্ষিপ্ৰ কৰি তোলাৰ বাবে ১১জন ঠিকাদাৰক দায়িত্ব দিয়া হৈছে। এই প্ৰকল্পৰ অধীনত যান-বাহন পাৰ হৈ যোৱাৰ বাবে ৯টা অধঃপথ বা আণ্ডাৰপাছ, পথচাৰীৰ বাবে ছটা আণ্ডাৰপাছ আৰু এখন উৰণ সেঁতুৰ লগতে ভালেমান আন্তঃগাঁথনি নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে পথটোৰ বাকী থকা কামখিনি শীঘ্ৰেই সম্পূৰ্ণ হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

নিৰ্বাচনত ভোটগ্ৰহণৰ বাবে পুনৰ বেলট পেপাৰৰ ব্যৱহাৰ কৰাৰ দাবীৰে জনোৱা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন উচ্চতম ন্যায়ালয়ে কালি খাৰিজ কৰে। উল্লেখযোগ্য যে সময়ে সময়ে বিভিন্ন ব্যক্তি তথা দল-সংগঠনে নিৰ্বাচনত ই ভি এমৰ পৰিৱৰ্তে বেলট পেপাৰৰ ব্যৱহাৰৰ বাবে উচ্চতম ন্যায়ালয়ত আবেদন জনাই আহিছিল। শেহতীয়াকৈ কে এ পাল নামৰ এগৰাকী আবেদনকাৰীয়ে দুৰ্নীতি ৰোধ কৰাৰ বাবে ই ভি এমৰ পৰিৱৰ্তে পুনৰ বেলট পেপাৰ ব্যৱহাৰ কৰিবলৈ ন্যায়িক নিৰ্দেশ দিব লাগে বুলি আবেদন জনাইছিল। ন্যায়াধীশ বিক্ৰম নাথ আৰু ন্যায়াধীশ পি বি বৰালেৰ বিচাৰপীঠে  বেলট পেপাৰ ব্যৱহাৰ কৰিলে কেনেদৰে দুৰ্নীতি নোহোৱা হ'ব বুলি আবেদনকাৰীক প্ৰশ্ন কৰে। ইয়াৰ পূৰ্বেও কংগ্ৰেছ দলৰ প্ৰিয়া মিশ্ৰ আৰু বিকাশ বাঞ্চালে হাৰিয়ানা বিধানসভা নিৰ্বাচনত ই ভি এমৰ খেলিমেলি হোৱাৰ অভিযোগ তুলি জনোৱা আবেদনো উচ্চতম ন্যায়ালয়ে খাৰিজ কৰিছিল।

০০০০০০

মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ অধীনত এতিয়াৰেপৰা নগৰাঞ্চলৰ লোকে ১০ শতাংশ প্ৰিমিয়াম দি ভূমিৰ বন্দৱস্তি ল'ব পাৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাই এই সিদ্ধান্ত গ্ৰহণ কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মন্ত্ৰীসভাৰ এই সিদ্ধান্ত সদৰি কৰি কয়, যে গুৱাহাটী আৰু ৰাজ্যৰ নগৰাঞ্চলত ভূমিৰ প্ৰিমিয়াম যুক্তিসংগতকৰণৰ প্ৰস্তাৱত মন্ত্ৰীসভাই অনুমোদন জনাইছে। সেই অনুসৰি মিছন বসুন্ধৰা দ্বিতীয় পৰ্যায়ৰ নিষ্পত্তিৰ বাবে অনুমোদিত অথচ প্ৰিমিয়াম পৰিশোধৰ বাবে বাকী থকা আবেদনসহ নগৰাঞ্চলত চৰকাৰী ভূমি নিষ্পত্তিৰ বাবে চৰ্তসাপেক্ষে প্ৰেৰণৰ বাবে প্ৰযোজ্য প্ৰিমিয়ামৰ ১০ শতাংশ হাৰত নিষ্পত্তি প্ৰিমিয়াম যুক্তিসংগত কৰা হ'ব। অৰ্থাৎ চৰকাৰী মূল্যৰ ১০ শতাংশ আদায় দিয়েই ভূমি ম্যাদী কৰিব পাৰিব। অৱশ্যে এই  আন ৯০ শতাংশ প্ৰিমিয়াম আদায় দিহে এই মাটি বিক্ৰী কৰিব পাৰিব।

**-বাইট-**

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই কিউ আৰ ক'ডযুক্ত নতুন পানকাৰ্ডৰ প্ৰচলনত সিদ্ধান্ত গ্ৰহণ কৰিছে। কৰদাতাক অধিক সুবিধা দিয়া আৰু ব্যৱসায়ীৰ কাম-কাজ সুচল কৰাৰ বাবেই মন্ত্ৰীসভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি মন্ত্ৰীসভাত এই সিদ্ধান্তৰ কথা ঘোষণা কৰি কয়, যে PAN কাৰ্ডৰ দ্বিতীয় পৰ্যায়ৰ এই নতুন প্ৰকল্পটোৰ বাবে এহেজাৰ ৪৩৫ কোটি টকা ব্যয় কৰা হ'ব। তেওঁ লগতে কয়, যে কিউ আৰ ক'ডযুক্ত PAN কাৰ্ডৰ ব্যৱস্থা জনসাধাৰণৰ তথ্য আৰু বেংক একাউণ্ট সুৰক্ষিত ৰখাৰ লগতে বিত্তীয় জালিয়াতিৰ আশংকা দূৰ হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই কিউ আৰ ক'ড থকা PAN কাৰ্ড উলিয়াবলৈ সুকীয়াকৈ কোনো মাচুল বা ধন ব্যয় কৰাৰ প্ৰয়োজন নহয়।

০০০০০০

ৰাজ্য চৰকাৰে শিশু সাহিত্যৰ ক্ষেত্ৰখন সমৃদ্ধ কৰাৰ লক্ষ্যৰে শিশু গ্ৰন্থ প্ৰণয়নৰ ধাৰাবাহিকতা ৰক্ষা কৰি বিশেষ ই-বুক আৰু অডিঅ' বুক প্ৰস্তুত কৰাৰ সিদ্ধান্ত লৈছে। কালি শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে অসম শিশু সাহিত্য ন্যাসৰ কাৰ্যালয়ত ন্যাসৰ পৰিচালনা সমিতিৰ সৈতে এই সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে এখন বৈঠকত মিলিত হয়। বৈঠকত সভাপতিত্ব কৰি তেওঁ শিশুসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশত শিশু গ্ৰন্থৰ প্ৰভাৱৰ লগতে প্ৰযুক্তিগত উত্তৰণৰ বিষয়টোকো সমভাৱে গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰে। বৈঠকৰ অন্তত

মন্ত্ৰীগৰাকীয়ে শিশু সাহিত্য ন্যাসৰ উদ্যোগত শীঘ্ৰেই অসমীয়াৰ লগতে বিভিন্ন জনজাতীয় তথা ৰাজ্যৰ প্ৰচলিত অষ্টম অনুসূচীত অন্তৰ্ভুক্ত ভাষাসমূহত শিশু গ্ৰন্থ ই-বুক আৰু অডিঅ' বুক আকাৰে প্ৰকাশ কৰিব বুলি জানিবলৈ দিয়ে।

০০০০০০

কাজিৰঙাত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় মেলা কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰ্যটন মন্ত্ৰীসকল উপস্থিত থকাৰ কথা। উদ্যোক্তাসকলে জানিবলৈ দিয়া মতে পুৱা ৯ বজাৰ পৰ্যটন মেলাখনৰ আনুষ্ঠানিক উদ্বোধনী পৰ্ব অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে দিনৰ ১১ বজাত মেলাস্থলীত এখন সংবাদমেলৰো আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে এই মেলাত অংশ ল'বলৈ অহা শতাধিক বিদেশী পৰ্যটকে কালি চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে। পৰ্যটকসকলে মৈদামত উপস্থিত হৈ টাই-আহোম পৰম্পৰাগত ফুৰালুঙৰ লগতে অসমীয়া খাদ্যাভাস তথা সংস্কৃতিৰ আভাস লয়। ইয়াৰ পাছতে পৰ্যটকৰ দলটোৱে শিৱসাগৰত উপস্থিত হৈ ৰংঘৰৰ লগতে আহোম কীৰ্তিস্তম্ভসমূহ পৰিদৰ্শন কৰে আৰু নিশা কাজিৰঙাত উপস্থিত হয়। পৰ্যটন মেলাখনত দেশ-বিদেশৰ চাৰি শতাধিক প্ৰতিনিধিৰ সন্মুখত প্ৰদৰ্শনৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে থলুৱা সামগ্ৰীৰ প্ৰদৰ্শনীৰো আয়োজন কৰিছে।

০০০০০০

গোৱাৰ ৰাজধানী পানাজীত চলি থকা ভাৰতৰ ৫৫ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি অষ্টম দিনা যদুমণি দত্তই পৰিচালনা কৰা জুইফুল ছবিখন প্ৰদৰ্শিত হ'ব। ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত ছবিখন ইউনেস্ক' গান্ধী মেডেলৰ কাৰণে প্ৰতিযোগিতা শিতানত অৱতীৰ্ণ হৈছে। অসম-নাগালেণ্ডৰ সীমা বিবাদৰ প্ৰেক্ষাপটত দুয়োটা সম্প্ৰদায়ৰ দুগৰাকী মাতৃৰ মাজত গঢ়ি উঠা সম্পৰ্কৰ আলমত নিৰ্মাণ কৰা চিনেমাখন পৰৱীমৰ প্ৰদৰ্শনস্থলীত সন্ধিয়া প্ৰদৰ্শন কৰা হ'ব। উল্লেখযোগ্য যে চলিত বছৰত জুইফুলকে ধৰি অসমীয়া ভাষাৰ তিনিখন চিনেমা ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত হৈছিল। ইয়াৰ ভিতৰত ৰাজেশ ভূঞাৰ পৰিচালনাৰ স্বৰ্গৰথ ২৫ বছৰৰ বিৰতিত অসমৰ পৰা মূলসুঁতিৰ শাখালৈ নিৰ্বাচিত হোৱাৰ বিপৰীতে ববী শৰ্মা বৰুৱাৰ ৰ'দৰ পাখিও ভাৰতীয় পেনোৰামাত প্ৰদৰ্শিত হয়। কাইলৈ মহোৎসৱৰ অন্তিম দিন। চেক-ইংৰাজী আৰু জাৰ্মান ভাষাত নিৰ্মিত বহদান শ্লামাই পৰিচালনা কৰা ড্ৰাই ছিজন শীৰ্ষক চিনেমাখনেৰে প্ৰতিযোগিতাৰ প্ৰদৰ্শনৰ সামৰণি পৰিব।

গোৱাত উপস্থিত থকা বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে খন্তেক সময়ৰ আগতে আমালৈ এই প্ৰতিবেদন পঠিয়াইছে।

**-ভইচ-**

ধন্যবাদ নয়ন প্ৰসাদ। চলচ্চিত্ৰ মহোৎসৱৰ পৰৱৰ্তী দিন কেইটাৰ বা-বাতৰি আপোনাৰ পৰা লৈ থাকিম।

০০০০০০

তিনিচুকীয়া জিলাৰ মাকুম পৌৰসভাৰ অন্তৰ্গত সকলো ব্যৱসায়িক প্ৰতিষ্ঠানৰ নামফলকত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। অসমীয়া ভাষাত নামফলক ডাঙৰকৈ লিখাৰ লগতে অন্যান্য ভাষাত সৰু

আখৰেৰে লিখিব লাগিব। অহা ৩১ ডিচেম্বৰৰ পৰা ব্যৱসায়িক প্ৰতিষ্ঠানৰগৰাকীয়ে এই নিৰ্দেশ মানিব লাগিব। মাকুম পৌৰসভাই এখন জাননীযোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০০

ধন্যবাদ মৰমী কাশ্যপ...

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত বিভিন্ন বাতৰিয়ে স্থান পোৱা দৃষ্টিগোচৰ হৈছে। ইয়াৰ ভিতৰত ট্ৰেডিং কেলেংকাৰিৰ পাঁচ অভিযুক্তক জামিন, বেলটৰে ভোটদান নস্যাৎ উচ্চতম ন্যায়ালয়ৰ, নগৰাঞ্চলৰ লোকে দহ শতাংশ প্ৰিমিয়াম দি ল'ব পাৰিব ভূমিৰ বন্দোৱস্তি আদি মুখ্য বাতৰিয়ে আটাইকেইখন বাতৰিৰ শিৰোনাম দখল কৰিছে।

কালি দেশজুৰি সংবিধান দিৱস উদযাপন কৰা হয়। এই উদ্দেশ্যে সংসদৰ দুয়ো সদনক সম্বোধন কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতীয় সংবিধানক দেশৰ পৱিত্ৰতম গ্ৰন্থ বুলি অভিহিত কৰে। এই বাতৰি ফটোসহ প্ৰকাশ কৰি দৈনিক অসম কাকতৰ শিৰোনাম সংবিধান পৱিত্ৰতম গ্ৰন্থ ঃ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু।

আয়ুষ্মান ভাৰত স্বাস্থ্যবীমা আঁচনিৰ অধীনত বিনামূলীয়া চিকিৎসা সেৱা লাভৰ পৰা ৰোগী বঞ্চিত হৈছে। এই বাতৰি প্ৰকাশ কৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰহসনত পৰিণত আয়ুষ্মান ভাৰত, চিকিৎসালয়সমূহক দিয়া নাই ৪০০ কোটি, ৰাজ্যৰ হাস্পতালে হাস্পতালে চিকিৎসা বঞ্চিত ৰোগীৰ হাহাকাৰ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰিত্বৰ টনা-আঁজোৰাত মহাৰাষ্ট্ৰত সাংবিধানিক সংকট শিৰোনামেৰে আমাৰ অসম কাকতে মহাৰাষ্ট্ৰৰ নতুন মুখ্যমন্ত্ৰী কোন হ'ব, মহায়ুটী জোঁটে এতিয়াও ঘোষণা কৰিব নোৱাৰাৰ বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

হাজাৰ কোটি টকীয়া ট্ৰেডিং কেলেংকাৰিৰ গোচৰত সময়মতে চি বি আইয়ে অভিযোগনামা দাখিল কৰিব নোৱাৰাৰ অজুহাতত অভিযুক্তই পাঁচ মাহতে জে'লৰ পৰা ওলোৱাৰ সুযোগ লাভ কৰিছে। এই বাতৰি প্ৰকাশ কৰি ফটোসহ নিয়মীয়া বাৰ্তা কাকতৰ বাতৰিৰ শিৰোনাম আঢ়ৈ মাহতে জে'লৰ পৰা ওলাল বিশাল-তাৰ্কিক-স্বপ্নীলসহ ৫ অভিযুক্ত শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

বেলট পেপাৰৰ জৰিয়তে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ আবেদনকাৰীয়ে জনোৱা আহ্বানক নস্যাৎ কৰি উচ্চতম ন্যায়ালয়ে ই ভি এম ব্যৱস্থা বাহাল ৰখাত ৰায় দিছে। এই বাতৰি প্ৰকাশ কৰি অসমীয়া খবৰ কাকতৰ বাতৰিৰ শিৰোনাম বেলটৰে ভোটদান নস্যাৎ উচ্চতম ন্যায়ালয়ৰ।

ৰাজ্যৰ মহাবিদ্যালয়ত অধ্যাপক নিযুক্তিক লৈ উচ্চ শিক্ষা বিভাগে প্ৰস্তুত কৰা খচৰাক লৈ বিতৰ্কৰ সৃষ্টি হৈছে। এই বাতৰি প্ৰকাশ কৰি দৈনিক অগ্ৰদূত কাকতৰ বাতৰিৰ শিৰোনাম দুবছৰ প্ৰবেচন খাটিলেহে অধ্যাপক পদ।

বাংলাদেশত সংখ্যালঘু হিন্দুসকলৰ ওপৰত পুনৰ অত্যাচাৰ চলোৱাৰ এটা বাতৰি দৈনিক জনমভূমি কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। ইস্কনৰ মুৰববী চিন্ময় কৃষ্ণ প্ৰভুক জে'ললৈ, বাংলাদেশত প্ৰতিবাদী হিন্দুক অত্যাচাৰ শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

যোৰহাট-ডিব্রুগড় সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত হোৱা বিলম্বৰ এটা বাতৰিক দি আছাম ট্ৰিবিউন কাকতে GADKARI BLAMES IT ON SHORTAGE OF RAW METERIAL FOR DELAY শিৰোনামেৰে প্ৰকাশ কৰিছে। একেখন কাকতে অৰুণাচলত সমাপ্ত হোৱা জলবিদ্যুৎ প্ৰকল্পৰ এটা বাতৰি CENTRE CLEARS 2 HYDEL PROJECTS IN ARUNACHAL শিৰোনামেৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- সোণালী ত্ৰিভূজৰ পৰা উত্তৰ-পূৰ্বাঞ্চল হৈ বিশ্বৰ বিভিন্ন প্ৰান্তলৈ যায় ড্ৰাগছ্, অন্ধকাৰাচ্ছন্ন ৰংঘৰ, মোবাইলৰ ফ্লাচ লাইটৰ পোহৰেৰে চালে দেশী-বিদেশী পৰ্যটকে, হোজাই সদৰৰ নতুন নাম শ্ৰীমন্ত শংকৰদেৱ নগৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ কেইটিমান বাতৰি। এতিয়া আমি পুনৰ উভতি আহিছো মৰমী কাশ্যপৰ ওচৰলৈ....।।

oooooo

ৰাষ্ট্ৰীয় এণ্টি ড'পিং সংস্থা-নাডাই টকিঅ' অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী ভাৰতীয় মল্লযোদ্ধা বজৰং পুনিয়াক তেওঁৰ তেজৰ নমুনা পৰীক্ষাৰ বাবে দিবলৈ অস্বীকাৰ কৰাৰ কাৰণে ৪ বছৰৰ বাবে নিলম্বিত কৰিছে। যোৱা ১০ মাৰ্চত ৰাষ্ট্ৰীয় দল নিৰ্বাচনৰ বাবে হোৱা অনুশীলনৰ সময়ত পুনিয়াই নিজৰ তেজৰ নমুনা পৰীক্ষাৰ বাবে দিবলৈ অস্বীকাৰ কৰিছিল আৰু ইয়াৰ বাবেই খেলুৱৈগৰাকীক প্ৰথমে ২৩ এপ্ৰিল পৰ্যন্ত নিলম্বিত কৰা হৈছিল। বিশ্ব মল্লযুদ্ধ সংস্থাইও পুনিয়াক ইতিমধ্যে নিলম্বিত কৰিছে। এই নিলম্বনৰ বিৰুদ্ধে বজৰং পুনিয়াই জনোৱা আবেদন নাডাই কালি প্ৰত্যাখ্যান কৰে আৰু ৪ বছৰৰ বাবে যিকোনো দেশীয় আৰু আন্তৰ্জাতিক প্ৰতিযোগিতাত ভাগ লোৱাৰ ক্ষেত্ৰত তেওঁৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰে।

oooooo

সমাপ্ত